# MAHFIL-E-MILAD

# ORGANISED BY SARAIGHAT COLLEGE ON

# 6TH MARCH, 2024

দৈনিক জনমভূমি

াহাটী, ত্ৰয়োবিংশ বছৰ, সংখ্যা ৩৫০ ● শুকুৰবাৰ ● ২৪ ফাগুন ● ১৯৪৫ শক ● THE DAINIK JANAMBHUMI ● Guwahati ● Frid




Guwahati, Friday, March 8, 2024

দৈনিক জনমভূমি

## শৰাইঘাট মহাবিদ্যালয়ত মেহফিল-ই-মিলাদ উদযাপন

**মহানগৰ ব্যুৰ'**, ৭ মাৰ্চ ঃ চাংসাৰিস্থিত শৰাইঘাট মহাবিদ্যালয়ত কালি ৪৩ তম মেহফিল-ই-মিলাদ উদযাপন কৰা হয়। অনুষ্ঠানত ৰঙিয়া মহাবিদ্যালয়ৰ আৰবী বিভাগৰ সহকাৰী অধ্যাপক ডঃ ছৈয়দ আব্দুল্লা আহমেদ মুখ্য অতিথি হিচাপে উপস্থিত থাকে। তেওঁ নিজৰ ভাষণত ইছলাম ধৰ্মৰ প্ৰচাৰক হজৰত মহম্মদৰ জন্মবৃত্তান্তৰ লগতে মহাপুৰুষ শ্ৰী শ্ৰী শংকৰদেৱৰ বাণীসমূহৰ ওপৰত আলোকপাত কৰে। তেওঁ হজৰত মহম্মদ ৰ লগতে শংকৰদেৱ, মাধৱদেৱ আদি মহাপুৰুষসকলৰ উদাহৰণ দি কয় যে, সকলো ধৰ্মৰ উদ্দেশ্য এটাই ,সেয়া হৈছে সমাজত মানবতাবাদ প্ৰতিষ্ঠা কৰা। পাৰ্ছী বিভাগৰ মুৰব্বী অধ্যাপক ডঃ আমিনুল হক চৌধুৰীয়ে সভাপতিত্ব কৰা মুকলি সভাখনত অধ্যক্ষ ডঃ মণি শৰ্মাই আদৰণী ভাষণ দাঙি ধৰে। মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি ড° জ্ঞানদা নাথ আৰু শৰাইঘাট মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ সন্মিলনীৰ সভাপতি তবিবুৰ ৰহমান নিমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে। পাৰ্ছী বিভাগৰ সহকাৰী অধ্যাপক ডঃ জিতুল আলীয়ে আত ধৰা অনুষ্ঠানটোত ষষ্ঠ ষন্মাসিকৰ ছাত্ৰী ৰেছমিন চুলতানাই কেৰাত পাঠ কৰে। মহাবিদ্যালয়ৰ অধ্যাপিকাসকল আৰু ছাত্ৰীসকলে আজান ফকিৰৰ জিকিৰ পৰিবেশন কৰি অনুষ্ঠানটো মনোমোহা কৰি তোলে।

